৬। (ক) সাম্প্ৰতিক সময়ত যোগাযোগৰ মাধ্যম হিচাপে সামাজিক মাধ্যমৰ গুৰুত্ব কেনে বুলি তুমি ভাবা? ইয়াৰ যোগাত্মক আৰু ঋণাত্মক দুয়োটা দিশ বিবেচনা কৰি এটা ফেচবুক পোষ্ট প্ৰস্তুত কৰা। ২+৮=১০

*অথবা*

(খ) সামাজিক মাধ্যমৰ বহুল ব্যৱহাৰৰ ফলত অসমীয়া ভাষালৈ কি কি পৰিৱৰ্তন আহিছে, উদাহৰণসহ আলোচনা কৰা। ১০

৭। (ক) কম্পিউটাৰ মুদ্ৰণ মানে কি? অসমীয়া ভাষাৰ কম্পিউটাৰ মুদ্ৰণৰ ইতিহাসৰ বিষয়ে লিখা। ২+৮=১০

*অথবা*

(খ) কম্পিউটাৰ ছফ্‌টৱেৰ প্ৰধানতঃ কেইপ্ৰকাৰৰ আৰু কি কি? কম্পিউটাৰত অসমীয়া ছফ্‌টৱেৰৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা। ৩+৭=১০

★★★





**2019**

# ASSAMESE
## ( MIL Communication )

Paper : ASM-AE-1014

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি বা স্বৰবৰ্ণ কেইটা?

(খ) অসমীয়া ভাষাত বিস্ময় প্ৰকাশ কৰিবলৈ কোনটো যতি চিন ব্যৱহাৰ কৰা হয়?

(গ) ফেচবুকৰ মুখ্য প্ৰতিষ্ঠাপকজনৰ নাম কি?

(ঘ) নিবিদা লেখকৰ বাবে কিবা নিৰ্দিষ্ট অৰ্হতাৰ প্ৰয়োজন আছেনে?

(ঙ) অসমীয়া দন্তমূলীয় উষ্ম ব্যঞ্জনবৰ্ণ এটাৰ নাম লিখা।

(চ) "কত পাওঁ তল সৰা"

তলত আঁচ টনা শব্দটোৰ উচ্চাৰণ স্বৰান্ত নে ব্যঞ্জনান্ত?

(ছ) কম্পিউটাৰত মুদ্ৰিত প্ৰথমখন অসমীয়া কিতাপৰ নাম লিখা।

(জ) "এতিয়া বিষো পলাবলৈ ধৰিব"

এই শাৰীটো কোনটো বিজ্ঞাপনৰ পৰা লোৱা হৈছে?

(ঝ) অসমীয়া মুদ্ৰণ ছফ্‌টৱেৰ এটাৰ নাম লিখা।

(ঞ) মুদ্ৰণ সম্পৰ্কীয় শব্দ DTP-ৰ সম্পূৰ্ণ ৰূপটো কি?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া ভাষাৰ দুবিধ যতি চিনৰ নাম লিখি উদাহৰণ দিয়া।

(খ) 'কলা' আৰু 'ক'লা' শব্দ দুটাৰ অৰ্থ লিখি বাক্যত ইয়াৰ প্ৰয়োগ দেখুওৱা।

(গ) যতি চিন ব্যৱহাৰ কৰি নতুনকৈ লিখা :

চিৰসেউজ চানডুবি মই ৰাজ আৰু নীল তালৈ ফুৰিবলৈ যাম বুলি ভাবিছোঁ।

(ঘ) অসমীয়া ভাষা লিখিবলৈ ব্যৱহৃত দুটা মোবাইল এপ (app)ৰ নাম লিখা।

(ঙ) এখন চলচ্চিত্ৰৰ বিজ্ঞাপনত ব্যৱহাৰ কৰিব পৰা দুটা বাক্য লিখা।





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া ভাষাৰ বৰ্ণৰ বৈশিষ্ট্য

(খ) অসমীয়া ভাষাৰ বিজ্ঞাপন

(গ) ভাষাৰ ধ্বনি প্ৰতীকবোৰ যাদৃচ্ছিক

(ঘ) ইণ্টাৰনেট

(ঙ) টুইটাৰ

(চ) ইউনিকোড

৪। (ক) কথনগত দক্ষতা বুলিলে কি বুজা? অনাতাঁৰ কেন্দ্ৰৰ ঘোষক-ঘোষিকাক কি কি কথনগত দক্ষতাই উপকৃত কৰিব পাৰে, বিশ্লেষণ কৰা। ৩+৭=১০

*অথবা*

(খ) কথনগত দক্ষতাৰ বাবে ভাষা-জ্ঞান কিয় প্ৰয়োজনীয়, ব্যাখ্যা কৰা। ১০

৫। (ক) তোমাৰ শিক্ষানুষ্ঠানৰ বাবে এটা কিতাপৰ আলমাৰি কিনিবৰ বাবে এখন নিবিদা প্ৰস্তুত কৰা। ১০

*অথবা*

(খ) অলপতে প্ৰকাশ হ'বলগীয়া এখন কিতাপৰ বিষয়ে বাতৰি কাকতত ছপাব পৰাকৈ এখন বিজ্ঞাপন লিখি উলিওৱা। ১০